মহান আল্লাহে জান্নাতীসকলক ক'ব, হে জান্নাতীসকল! তেতিয়া তেওঁলোকে ক'বঃ উপস্থিত আছোঁ হে আমাৰ প্ৰতিপালক আৰু সদায় তোমাৰ অনুগ্ৰহৰ প্ৰাৰ্থী। তেতিয়া আল্লাহে ক'বঃ তোমালোকে সন্তুষ্ট হৈছানে? তেওঁলোকে ক'বঃ আমি কিয় সন্তুষ্ট নহ'ম, তুমি আমাক এনেকুৱা এনেকুৱা নিয়ামত প্ৰদান কৰিছা, যি নিয়ামত তুমি সৃষ্টিজগতৰ আন কাকো প্ৰদান কৰা নাই?

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মহান আল্লাহে জান্নাতীসকলক ক'ব, হে জান্নাতীসকল! তেতিয়া তেওঁলোকে ক'বঃ উপস্থিত আছোঁ হে আমাৰ প্ৰতিপালক আৰু সদায় তোমাৰ অনুগ্ৰহৰ
প্ৰাৰ্থী। তেতিয়া আল্লাহে ক'বঃ তোমালোকে সন্তুষ্ট হৈছানে? তেওঁলোকে ক'বঃ আমি কিয় সন্তুষ্ট নহ'ম, তুমি আমাক এনেকুৱা এনেকুৱা নিয়ামত প্ৰদান কৰিছা, যি নিয়ামত তুমি সৃষ্টিজগতৰ আন কাকো প্ৰদান কৰা নাই? তেতিয়া তেওঁ ক'বঃ মই তোমালোকক ইয়াতকৈও উত্তম কিবা দিব বিচাৰোঁ। তেওঁলোকে ক'বঃ হে আমাৰ প্ৰতিপালক! ইয়াতকৈ উত্তম আৰুনো কি হ'ব পাৰে? তেতিয়া তেওঁ ক'বঃ মই মোৰ সন্তুষ্টি তোমালোকৰ ওপৰত অৰ্পণ কৰিলোঁ, ইয়াৰ পিছত
মই আৰু কেতিয়াও তোমালোকৰ ওপৰত অসন্তুষ্ট নহওঁ।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মহান আল্লাহে জান্নাতত থকা জান্নাতীসকলক মাতি ক'বঃ হে জান্নাতীসকল! তেতিয়া তেওঁলোকে উত্তৰত ক'বঃ হে আমাৰ প্ৰতিপালক! আমি উপস্থিত আছোঁ আৰু সদায় তোমাৰ আশীৰ্বাদ কামনা কৰিছোঁ। তেতিয়া আল্লাহে তেওঁলোকক ক'বঃ তোমালোক সন্তুষ্ট হৈছানে? তেওঁলোকে ক'বঃ হয়, আমি সন্তুষ্ট হৈছোঁ। আমি কিয় সন্তুষ্ট নহ'ম, অথচ তুমি আমাক এনেকুৱা নিয়ামত প্ৰদান কৰিছা, যি নিয়ামত তুমি সৃষ্টিজগতৰ কাকো প্ৰদান কৰা নাই। তেতিয়া মহান আল্লাহে ক'বঃ মই তোমালোকক ইয়াতকৈও উত্তম কিবা প্ৰদান নকৰিমনে? তেওঁলোকে ক'বঃ ইয়াতকৈ আৰু কি বস্তু উত্তম হ'ব পাৰে? তেতিয়া তেওঁ ক'বঃ মোৰ সন্তুষ্টি তোমালোকৰ ওপৰত চিৰস্থায়ী কৰি দিলোঁ। ইয়াৰ পিছত মই আৰু কেতিয়াও তোমালোকৰ ওপৰত অসন্তুষ্ট নহওঁ।

http://sunnah.global/hadeeth/as/show/8343